GSAC–S5–01

Exam Code: CS

অসমীয়া সংস্কৃতি অধ্যয়ন

পঞ্চম ষাণ্মাসিক (বৈকল্পিক পাঠ্যবিষয়)

অসমৰ সংস্কৃতি অধ্যয়ন



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° প্রদীপ জ্যোতি মহন্ত, অধ্যাপক (অৱসৰপ্রাপ্ত), তেজপুৰ বিশ্ববিদ্যালয়

ড° মাধৱ চন্দ্র শর্মা, প্রাক্তন সঞ্চালক, আভ্যন্তৰীণ মান নিশ্চয়তা কেন্দ্র, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	ড° কান্তা চক্রৱর্তী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২	ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় মাধৱ চন্দ্র বৰুৱা, শিৱসাগৰ মহাবিদ্যালয়
৩	ড° জোনমণি গগৈ, গুৱাহাটী
৪	ড° সুৰভি মাধুৰী গগৈ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী
৫	ড° মৃণাল জ্যোতি গোস্বামী ড° পৰিণীতা গোস্বামী (কেৱল বৰগীত অংশ), গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° প্রদীপ জ্যোতি মহন্ত (অধায় ৫)
ড° মৃণাল জ্যোতি গোস্বামী (বাকী অধ্যায়সমূহ)

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী

প্রথম প্রকাশ ঃ জুন, ২০১৯

ISBN NO 978-93-89123-05-0

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**ঐতিহাসিক প্ৰেক্ষাপটত অসম** প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; অসমৰ ভৌগোলিক অৱস্থিতি; অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণ ঃ ভাৰতীয় মানুহৰ নৃ-গোষ্ঠীগত পৰিচয়, অসমত জাতি গঠনৰ স্বৰূপ	২০	৫-১৬
অধ্যায় ২ ঃ	**অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণ** সংস্কৃতি — সাধাৰণ পৰিচয়; সংস্কৃতিৰ সংজ্ঞা; সংস্কৃতিৰ স্বৰূপ আৰু উপাদান; সংস্কৃতিৰ বৈশিষ্ট্য আৰু ভাগসমূহ; অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণৰ বিভিন্ন বিষয়	২০	১৭-৪১
অধ্যায় ৩ ঃ	**অসমৰ ধৰ্মীয় পৰম্পৰা** শক্তিতত্ত্ব ঃ অসমত শক্তিতত্ত্ব, অসমৰ শক্তিপীঠ আৰু মঠ-মন্দিৰ, অসমৰ শাক্ত সাহিত্য; শৈৱতত্ত্ব ঃ অসমত শৈৱতত্ত্ব, অসমৰ শৈৱ মঠ-মন্দিৰ, অসমৰ শৈৱ সাহিত্য; বৈষ্ণৱ ধৰ্ম ঃ অসমৰ বৈষ্ণৱ আৰু নৱ-বৈষ্ণৱ ধৰ্ম, অসমৰ বৈষ্ণৱ সাহিত্যৰ চমু আভাস	২০	৪২-৬৪
অধ্যায় ৪ ঃ	**অসমৰ সত্ৰীয়া সংস্কৃতি আৰু নামঘৰ** অসমৰ সত্ৰীয়া সংস্কৃতি ঃ সত্ৰৰ সংজ্ঞা, উৎপত্তি, সত্ৰৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি, সত্ৰৰ বিষয়ববীয়া তথা প্ৰশাসন, সত্ৰৰ নিত্যকৰ্ম — সত্ৰীয়া নাম-প্ৰসংগ, সত্ৰৰ নৈমিত্তিক কাৰ্য তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান, সত্ৰৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি, সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা; নামঘৰ ঃ নিৰ্মাণ শৈলী বা গঠন শৈলী, নামঘৰৰ কাৰ্যপ্ৰণালী আৰু নামঘৰৰ কৰ্মকতা/বিষয়ববীয়া, ধৰ্মীয়-চৰ্চা তথা শিল্প-চৰ্চাৰ কেন্দ্ৰ, নামঘৰৰ সামাজিক কৰ্তৃত্ব	২০	৬৫-৮১
অধ্যায় ৫ ঃ	**অসমৰ পৰিৱেশ্য কলা** অসমৰ পৰিৱেশ্য কলা; সত্ৰীয়া সংগীত ঃ বৰগীত, *কীৰ্তন, নামঘোষা* আৰু আনুষংগিক ধাৰা; সত্ৰীয়া নৃত্য আৰু বাদ্য, অংকীয়া নাট আৰু ভাওনা	২০	৮২-১০৫
প্ৰসঙ্গ পুথি			১০৬-১১০

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমৰ সংস্কৃতি অধ্যয়ন

এই পাঠ্যবিষয়টি **ইণ্ট্ৰডাকশ্বন টু ইনফৰমেশ্যন টেক্‌নলজী**ৰ বৈকল্পিক পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিয়ে আপোনাক অসমীয়া সংস্কৃতি সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিব। কোনো এটা জাতিৰ বিষয়ে সম্পূৰ্ণভাৱে জানিবলৈ হ'লে আমি সেই জাতিৰ ঐতিহ্য আৰু সংস্কৃতি অধ্যয়ন কৰাতো বাধ্যতামূলক। আমি জানো যে অসম দেশ বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীৰ মিলনভূমি। বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণতে বৃহৎ অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে।

পাঠ্যবিষয়টি সৰ্বমুঠ পাঁচটা অধ্যায়ত বিভক্ত কৰি প্ৰস্তুত কৰা হৈছে। ইয়াৰে প্ৰথম অধ্যায়টোত প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; অসমৰ ভৌগোলিক অৱস্থিতি; অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণ ঃ ভাৰতীয় মানুহৰ নৃ-গোষ্ঠীগত পৰিচয়, অসমত জাতি গঠনৰ স্বৰূপ আদিৰ বিষয়ে সম্যক ধাৰণা প্ৰদান কৰা হৈছে। অধ্যায়টোৰ শিৰোনাম — 'ঐতিহাসিক প্ৰেক্ষাপটত অসম'। 'অসমৰ সংস্কৃতি ঃ সমন্বয় আৰু সমাহৰণ' শীৰ্ষক দ্বিতীয় অধ্যায়টোত 'সংস্কৃতি' মানেনো কি, ইয়াৰ লক্ষণ, উপাদান, বৈশিষ্ট্য আদিৰ বিষয়ে আলোচনা কৰি অসমীয়া সংস্কৃতিত কেনেদৰে এই সমন্বয় তথা সমাহৰণ প্ৰক্ৰিয়া সাধিত হৈছে সেয়াও আলোচনা কৰা হৈছে। অতি প্ৰাচীন কালৰে পৰা অসমত বিভিন্ন ধৰ্মীয় পৰম্পৰা প্ৰচলন হৈ আছে। তৃতীয় অধ্যায়টোত প্ৰাচীন অসমৰ ধৰ্মীয় পৰম্পৰাৰ তিনিটা প্ৰধান ধাৰা— শাক্ত, শৈৱ আৰু বৈষ্ণৱৰ বিষয়ে আলোচনা সন্নিৱিষ্ট কৰা হৈছে। অধ্যাটোৰ শিৰোনাম — 'অসমৰ ধৰ্মীয় পৰম্পৰা'। আমি সকলোৱে জানো যে, নৱ-বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে মহাপুৰুষ শংকৰদেৱে খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে প্ৰতিষ্ঠা কৰা সত্ৰ আৰু নামঘৰে অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সত্ৰ আৰু নামঘৰসমূহক কেন্দ্ৰ কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ উদ্ভাৱন ঘটিছে। মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কৰ্ষণৰ বাবে সত্ৰই অৱদান যোগাই আহিছে। অসমীয়া সমাজৰ জাতীয় জীৱনত গভীৰ প্ৰভাৱ পেলোৱা সত্ৰ আৰু নামঘৰৰ বিষয়ে 'অসমৰ সত্ৰীয়া সংস্কৃতি আৰু নামঘৰ' শীৰ্ষক চতুৰ্থ অধ্যায়ত আলোচনা কৰা হৈছে। পাঠ্যবিষয়খনৰ অন্তিম অধ্যায়টোৰ শিৰোনাম হ'ল — 'অসমৰ পৰিৱেশ্য কলা'। এই অধ্যায়টোত অসমৰ মাৰ্গীয় পৰিৱেশ্য কলা সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰা হৈছে। পৰিৱেশ্য কলা মানে কি সেই বিষয়ে চমুকৈ আলোকপাত কৰি অসমৰ পৰিৱেশ্য কলাৰ মাৰ্গীয় ধাৰাটিত অন্তৰ্ভুক্ত সত্ৰীয়া পৰিৱেশ্য কলা সম্পৰ্কেহে আলোচনা দাঙি ধৰা হৈছে। পাঠ্যবিষয়খনৰ অধ্যয়নে আপোনাক অসমৰ সংস্কৃতিৰ সম্যক ধাৰণা প্ৰদান কৰিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টোৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।